# আকৌ বাৰিষা আহিল

--- লীনা মেহেন্দলে

--- অনুৱাদ পুতুল দাস

এইটো এটা বহুত পুৰণি কাহানী আছিল। সেই দিনৰে যিটো  কাহানীৰে দিন আছিল। সেই সময়ত সমুদ্র আৰু পৃথিৱী নিচে ওচৰা ওচৰি আছিল। সূৰ্য্যটো কৰবাতে আছিল। বতাহওঁ কৰবাতে আছিল।   পোহাৰৰ কোনো চিন চাপ নাছিল। এতিয়া আৰু এনে নহয় যে সমুদ্র আৰু পৃথিৱীক আন্ধাৰৰ দ্বাৰা ভয় লাগিব। কিন্তু পৃথিৱীৰ মনত বাৰে বাৰে এই প্ৰশ্নটৌ আহে যে মাটিৰ বাহিৰে পৃথিৱীৰ আৰু একোৱেও নাই। পৃথিৱিয়ে এই মাটিত কিছুমান সেইজীয়া গছগছনি,  পশু পক্ষী, খেতিবাৰী, আৰু লৰাছোৱালীৰ হাঁহি ধেমালী হোৱাতো বিচাৰিছিল। কিন্তু এই সকলো পানী নোহোৱাকৈ সম্ভৱ নহয়। পানী  আছে -- সমুদ্রত পানীৰে ভৰি আছে।

কিন্তু সেই পানী পৃথিৱীলৈ কেনেকৈ অনা যাৱ? পৃথিৱী আৰু সমুদ্রই বহূত ভাবিলে বহূত ভাবিলে। কিন্তু কোনো উপায় নাপালে।

কিছূ দিন পিছত পৃথিৱীযে এটা ডাঙৰ সহজ ধৰনৰ উপায উলিযালে। তেওঁ জানিছিল যে বহুত দূৰ নিলাগত জ্ঞানী হিমালয পৰ্ৱত আছে। তেওঁ যাদুকৰী ৱিদ্যা জানিছিল। কোনো প্ৰশ্ন হলে তৎক্ষনাত উত্তৰ ৱিচাৰি পাইছিল। কিয়নো তেওঁক    সোধা যাওক।

দুয়োজনে হিমালযক ৱিচাৰি ওলাল। অবশেষত  ৱিচাৰিপালে। তেওঁলোকে দূয়োজনে হিমালযক প্ৰণাম জনাই প্ৰশ্ন কৰিলে যে সমূদ্ৰৰ পানী পৃথিৱীল কেনেকৈ অনা যাব।

উত্তৰটো বহুত সহজ। তোমালোক সূৰ্য্য ওচৰলৈ যোৱা। তেওঁ সকলৰে লগত বন্ধুত্ত্ব কৰি ভাল পায।  তেওঁক তোমাৰ ওচৰলৈ থাকিবৰ কাৰনে মাতি আন। কিন্তু লক্ষ্য ৰাখিবা যে তেওঁক বেছি ওচৰলৈ নানিবা। যেতিয়া তোমাৰ ওচৰত বাস কৰিব  তেতিয়া সূৰ্য্যৰ তাপত সমুদ্ৰৰ পানী    বাষ্প হব। সেই বাষ্প আকাশলৈ যাব। এই ধৰনে পৃথিৱী পানী পাব পাৰে।

পৃথিৱী আৰু সমুদ্র সূৰ্য্যৰ ওচৰলৈ গল। দুই জনে তেওঁক প্ৰণাম কৰিলে। তেওঁক দুই জনে বন্ধুত্ত কৰিলে আৰু পৃথিৱীৰ ওচৰলৈ আহিব কলে। তেতিয়া সূৰ্য্য সূখী হল। আনন্দিত হৈ কলে ঠিক আছে। মই সকলৰ লগত বন্ধুত্ত কৰি ভাল পাওঁ। এই কাৰনে মোৰ আন এটা নাম মিত্ৰও। যদি মোৰ সহায়ৰে পৃথিৱী পানী পায, ধৰনী সেউজীযা আৰু সুখেৰে ভৰপূৰ হয় তেতিয়া মই সুখী হম।

এই ধৰনে সূৰ্য্য  পৃথিৱীৰ ওচৰলৈ আহিলে। যিদৰে হিমালয় কৈছিল সূৰ্যৰ তাপত সমুদ্ৰৰ পানী ৱাষ্প হলে। তথাপি সমস্যা সমাধান নহল। পানীৰ ভাপ ওপৰলৈ গৈ সমুদ্ৰৰ ওপৰত ছাঁটো পৰিল। এতিয়া সমুদ্ৰ আৰু সূৰ্য্যৰ মাজত ভাপৰ এটা ডাঙৰ সমস্যা  হল। এনেকুৱা হল যে সূৰ্য্যৰ পোহৰ পৃথিৱীলৈ অহাত বাধা কৰিলে। এতিয়া সূৰ্য্য আৰু সমুদ্ৰ বৰ বিপদত পৰিল। এইফালে পানী পোৱা দূৰৰ কথা  তাৰ ৱিপৰিতে সূৰ্য্যৰ তাপত পৃথিৱী বৰ কষ্ট পালে।

আকৌ পৃথিৱী আৰু সমুদ্ৰ হিমালয়ৰ ওচৰলৈ যোৱা ঠিৰাঁ কৰিলে। হিমালয় সমস্যাটো বুজি  পালে। কিন্তু তেওঁৰ ওচৰত ইয়াৰো উত্তৰ আছিল। তেওঁ কলে এতিয়া তোমালোক বতাহৰ ওচৰলৈ যোৱা। তেওঁ কৰবাত লুকাই থাকে। আৰু তেওঁ থকা ঠাইখিনী সলনি কৰে। তেওঁক ৱিচাৰি পোৱা  বৰ মুস্কিল। কিন্তু  তেওঁক মান্তি কৰাতো বৰ সহজ। যেতিয়া তেওঁ তোমাৰ ওচৰলৈ আহিব তেতিয়া   সমুদ্ৰৰ ভাপ জমা হৈ  তাৰপৰা ডাৱৰ হব। তাৰ পিছত তাৰপৰা উৰাই পৃথিৱীলে বৰষুণ হৈ আহিব। এইদৰে পৃথিৱী পানী পাব পাৰে।

শ, শ সমুদ্ৰ আৰ পৃথিৱী বতাহক ৱিচাৰি গল। সচাকৈয়ে তেওঁক ৱিচাৰি পোৱাতো বৰ কঠিন আছিল। বতাহৰ কাৰনে য়তে ততে সমুদ্ৰৰ পানী ঢৌ আহি পানীৰ গজৰনি শব্দ শুনা যাব। বুজা যাব যে বতাহ নিশ্চয় ইয়াতে লুকাই আছে। এই ধৰনে বতাহক বিচাৰি  দুয়োজনে তেওঁক নিজেৰ সমস্যাৰ কথা কলে। বতাহ বৰ আনন্দ মনেৰে পৃথিৱীলৈ আহি বলৈ সাজু হল। তেওঁ ভাবিৱে ঠিক আছে মই ডাৱৰৰ লগত খেলিব পাৰিম। এইদৰে বতাহওঁ পৃথিৱীৰ ওচৰত থাকিব অহিল। তেওঁ পানীৰ ভাপ উতাবলৈ আৰম্ভ কৰিলে।
বতাহৰ বাবে ডাৱৰ সৰু ডাঙৰ হোৱাত সুবিধা  পালে। ডাৱৰ উৰিউৰি পৃথিৱীলৈ আহিলে। তথাপি সমস্যা শেষ হোৱা নাছিল। ডাৱৰ পৰা পানী বৰষুণ হব পৰা নাছিল।

সমুদ্ৰ আৰু পৃথিৱী বৰ দূখী হল। এতিয়া কি কৰা যাব। সূৰ্য্য আৰু ৱতাহে হায় হায় কৰিলে। তেওঁলোকে  ভাবিলে আমি দেখোন যিখিনি পাৰো সহায় কৰিলো।   তথাপি পানী আনিব নোৱাৰিলো। তেতিয়া আমাৰ সাহায্যৰ কোনো মূল্য নাই। তেওঁলোকক আকৌ হিমালয়ৰ ওচৰলৈ যাৱলৈ কলে আৰু নিজেও আগ্ৰহৰে ঊত্তৰৰ অপেক্ষা  কৰিলে। এইৱাৰ যেতিয়া সমূদ্ৰ আৰু পৃথিৱী  হিমালয়ৰ ওচৰলৈ গল তেতিযা  তেওঁ চিন্তাত পৰিলে। এতিযা সমুপ্ৰৰ পানী ওপৰলৈ ঊঠাতো উপায় হৈ গল। সেই ভাপ উৰাই পৃথিৱীলৈ অনাটো সম্ভৱ হল। কিন্তু এই ডাৱৰ পৰা বৰষূণ অনাটো কেনেকৈ সম্ভৱ হব?

সহায়ৰ কাৰনে কাক পোৱা যাব। এই প্ৰশ্নটো বিমৰত পেলালে। হিমালয় বহুত ভাবি চিন্তি শেষত ঊপায় উলিয়ালে। এই উপায় পৃথিৱীয়ো কৰিবো পাৰে। হিমালয় তেওঁলোকক কলে এতিয়া তোমালোকে যি কোনো উপায় কিছুমান ওখ ওখ পাহাৰ ৰুবা। তাত কিছুমান ওখ গছ গছনি ৰুবা। এই কাৰনে তোমাৰ কিছুমান গুটিৰ প্ৰয়োজন হব। তেতিয়া ওখ পাহাৰত ওখ ওখ গছ গছনি হব, সেই গছৰ ঠাল ঠেঙুলি ডাৱৰক স্পৰ্শ কৰিব। তাৰপৰা বৰফ হৈ বৰষুণ হব। আকৌ সেই পানী দ্বাৰা  বহুত সৰু ডাঙৰ, গছ গছনি হব। সেইবোৰত ফূল ফুলিব চৰাই চিৰিকতি ৰমৰিয়াব। চাৰিওঁ ফালে সেউঁজিয়া আৰু ৰঙবিৰঙগৰ ৱাতাৱৰণ হব। কিন্তু এইবোৰ তেতিয়ালৈ সম্ভৱ হব যেতিয়ালৈ পৃথিৱীত ওখ ওখ পাহাৰ থাকিব। এই সত্তটো কেতিয়াও নাপাহাৰিবা।

শুনাশিশু হত এনেকুৱা হল যেনেকুৱা হিমালয়ে কৈছিল। পৃথিৱী কিছুমান ডাঙৰ ডাঙৰ পাহাৰ সাজিলে। সেই বোৰত গছ ৰুলে। তাৰপৰা ডাৱৰ শীতল হয়। তাৰপৰা  বৰষুণ হয়। সেই পানী দ্বাৰা সৰু ডাঙৰ গছগছনি গজিল, ফূল ফুলিল।  চৰাই চিৰিকতি ৰমৰিয়ালে। চাৰিওঁফালে সেউজিযা আৰু  ৰঙবিৰঙৰ বাতাৱৰণ হল। তেতিয়া পৰা আজিলৈ পৃথিৱী, সমুদ্ৰ, হিমালয়, সূৰ্য্য, বতাহ, পাহাৰ, গছগছনি, চৰাই চিৰিকতি সকলোৱে হাতত হাত মিলায় নৃত্য কৰি চলি আহিছে।

তোমালোকে যেতিয়া ওখ পাহাৰ দেখিবা, আৰু সেইবোৰত ৰুৱা গছগছনি দেখিবা তেতিয়া মনত  ৰাখিবা যে এইবোৰৰ কাৰণে বৰষুণ বৰষাই আৰু ধৰনী সেউজিয়া হৈছে।

---